আল্লা -হুম্মা ইন্নি আছআলুকাল আ -ফিয়াহ ফিদ দুনিয়া অল আ-খিৰাহ

ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কেতিয়াও পুৱা গধূলি এই দুআটো পাঠ নকৰাকৈ থকা নাছিল। উচ্চাৰণঃ "আল্লা -হুম্মা ইন্নি আছআলুকাল আ -ফিয়াহ ফিদ দুনিয়া অল আ-খিৰাহ, আল্লা -হুম্মা ইন্নি আছআলুকাল আফৱা অল আ-ফিয়া ফী দ্বীনি, অদুনিয়ায়ী, অ আহলি, অ মা-লী, আল্লা -হুম্মাছ তুৰ আউৰা-তি, ৱা আ-মিন ৰাউআ-তি, আল্লা -হুম্মাহফিজনি মিন বাইনা য়াদায়্যা, অমিন খালফি, ৱা আন য়ামীনি, অ আন শ্বিমা-লি, অমিন ফাউকি, অ আউজু বিআজমাতিকা আন উগতা-লা মিন তাহতি"। অৰ্থ: হে আল্লাহ! মই তোমাৰ ওচৰত দুনিয়া আৰু আখিৰাতত নিৰাপত্তা বিচাৰোঁ। হে আল্লাহ! মই মোৰ দ্বীন, মোৰ দুনিয়া, মোৰ পৰিয়াল আৰু মোৰ সম্পদৰ বাবে তোমাৰ ওচৰত ক্ষমা বিচাৰোঁ আৰু নিৰাপদ কামনা কৰোঁ। হে আল্লাহ! মোৰ পৰ্দা কৰা অংগসমূহৰ ওপৰত পৰ্দা কৰি দিয়া। মোৰ ভয় -ভীতি দূৰ কৰি শান্তি বিৰাজ কৰা। হে আল্লাহ! মোৰ সন্মুখৰ পৰা, মোৰ পিছফালৰ পৰা মোৰ সোঁফালৰ পৰা, মোৰ বাওঁফালৰ পৰা আৰু মোৰ ওপৰৰ পৰা মোক সুৰক্ষা প্ৰদান কৰা। আকস্মিক তলৰ পৰা ধ্বংস হোৱাৰ পৰাও মই তোমাৰ আশ্ৰয় বিচাৰোঁ।

[ছহীহ] [(আবু দাঊদ, ইবনে মাজাহ, নাছায়ী, আহমদ)]

পুৱা গধূলি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কেইটা দুআ নপঢ়াকৈ কেতিয়াও থকা নাছিলঃ (اللهم إني أسألُكَ العافيةَ) অৰ্থাৎ হে আল্লাহ! তুমি মোক দুনিয়াৱী সকলো বিপদ -আপদ, বেমাৰ-আজাৰৰ পৰা ৰক্ষা কৰা, নিকটৱৰ্তী আৰু দূৰৱৰ্তী দুনিয়াতে হওক বা আখিৰাতত সকলো প্ৰকাৰ ফিতনাৰ পৰা মোক ৰক্ষা কৰা। (اللهمَّ إني أسألُكَ العفو) অৰ্থাৎ হে আল্লাহ! মই তোমাৰ ওচৰত সকলো প্ৰকাৰৰ গুনাহ আৰু সীমালংঘনৰ বাবে ক্ষমা বিচাৰোঁ। (والعافيةَ) তুমি মোক সকলো প্ৰকাৰ দোষ -ত্ৰুটিৰ পৰা ৰক্ষা কৰা। (في دِيني) দ্বীনি ক্ষেত্ৰত শ্বিৰ্ক বিদআতৰ পৰা আৰু বিভিন্ন প্ৰকাৰৰ গুনাহৰ পৰা। (ودنياي) দুনিয়াৱী ক্ষেত্ৰত সকলো প্ৰকাৰ বিপদ আপদ আৰু অনিষ্টৰ পৰা। (وأهلِي) আৰু মোৰ স্ত্ৰী, সন্তান -সন্ততি আৰু আত্মীয়ৰ অনিষ্টৰ পৰা। (ومالي) লগতে মোৰ ধন-সম্পদ আৰু কৰ্মৰ অনিষ্টৰ পৰা। (اللهم استرْ عَوراتي) অৰ্থাৎ হে আল্লাহ! মোৰ ভিতৰত থকা দোষ-ত্ৰুটি, ভুল-ভ্ৰান্তিক ঢাকি দিয়া আৰু মোৰ গুনাহ ক্ষমা কৰি দিয়া। (وآمِن رَوْعاتي) লগতে মোৰ ভয়-ভীতি দূৰ কৰি নিৰাপত্তা প্ৰদান কৰা। (اللهم احفظْني) অৰ্থাৎ হে আল্লাহ! মোক বিপদ-আপদ, সংকট আদিৰ পৰা ৰক্ষা কৰা। (من بين يديَّ ومِن خلفي، وعن يميني وعن شمالي، ومن فوقي) সকলো দিশৰ পৰা মোক সুৰক্ষা প্ৰদান কৰা। সন্মুখৰ পৰা পিছফালৰ পৰা, সোঁফালৰ পৰা বাওঁফালৰ পৰা আৰু ওপৰৰ পৰা অহা বিপদৰ পৰা ৰক্ষা কৰা, কাৰণ আপদ-বিপদ এইবোৰ দিশৰ পৰাই আহে। (وأعوذُ بعظمتك أن أُغْتَال) অৰ্থাৎ মই তোমাৰ মহান সত্তাৰ অছিলাৰে তোমাৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ, তুমি মোক আকস্মিক (من تحتي) মোৰ তলৰ পৰা অহা ধ্বংসৰ পৰা ৰক্ষা কৰা, যেনে-ভূমিস্খলন আদি।

http://www.sunnah.global/hadeeth/as/show/5485